জনসংযোগ, অসম প্ৰেছ বাৰ্ত্তা

# নিউয়ৰ্কত ‘কুয়েষ্ট ফৰ দি ৱান হৰনড ৰাইনো’ৰ বিশেষ প্ৰদৰ্শন মুখ্য মন্ত্ৰীৰ দ্বাৰা মুকলি

দিছপুৰ, ১৮ ছেপ্টেম্বৰ ঃ মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে কালি নিউয়ৰ্কৰ এক্সপ্ল’ৰাৰছ ক্লাবত অনুষ্ঠিত এক অনুষ্ঠানত আন্তৰ্জাতিক খ্যাতি সম্পন্ন বন্যপ্ৰাণী বিষয়ক ফটোগ্ৰাফাৰ আৰু প্ৰকৃতিবিদ ৰিছাৰ্ড বেঙে অসমৰ ওপৰত নিৰ্মাণ কৰা তথ্য চিত্ৰ ‘কুয়েষ্ট ফৰ দি ৱান হৰনড ৰাইনো’ (Quest for the one horned-rhino)ৰ এক বিশেষ প্ৰদৰ্শন আনুষ্ঠানিক ভাবে মুকলি কৰে। অসম চৰকাৰৰ সহযোগত ভাৰত চৰকাৰৰ পৰ্যটন বিভাগৰ নিউয়ৰ্ক চেন্টাৰে এই অনুষ্ঠানৰ আয়োজন কৰিছিল।

অনুষ্ঠানত মুখ্য মন্ত্ৰী গগৈয়ে কয় যে প্ৰাকৃতিক সম্পদ আৰু জৈৱ বৈচিত্ৰতাৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চল দেশৰ ভিতৰতে অতি চহকী। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য – ইয়াৰ নদ-নদী, পৰ্বত-পাহাৰ, হাবি-অৰণ্য আৰু বন্যপ্ৰাণী আদিয়ে ৰাজ্যখনক পৰ্যটনৰ দিশত এক সুকীয়া গুৰুত্ব প্ৰদান কৰিছে। তেওঁ পুনৰ কয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ বসবাস ভূমি অসমৰ সমাজ জীৱন বাৰে-বৰণীয়া কলা-কৃষ্টি তথা সাংস্কৃতিক সম্পদৰে সমৃদ্ধ আৰু ৰাজ্যখনৰ এই সাংস্কৃতিক বৈচিত্ৰতা পৰ্যটক সকলৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰ বিন্দু। মুখ্য মন্ত্ৰীয়ে কয় যে অসমৰ মানুহে প্ৰকৃতিক ভাল পায়, প্ৰকৃতিৰ যত্ন লয়। বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আদৰ্শৰ পৰাই অসমৰ মানুহে প্ৰকৃতিক যে ভাল পাব লাগে তাৰ শিক্ষা পাইছে। প্ৰসংগক্ৰমে মুখ্য মন্ত্ৰীয়ে নদী দ্বীপ মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু ৰাজ্যখনত ধৰ্ম-সংস্কৃতিৰ কেন্দ্ৰ সত্ৰ সমূহে অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অতুলনীয় অৱদানৰ বিষয়ে উল্লেখ কৰে। সভাত মুখ্য মন্ত্ৰীয়ে বিশ্ব ঐতিহ্য স্থান কাজিৰঙা আৰু মানাহৰ কথা উল্লেখ কৰাৰ লগতে ব্ৰহ্মপুত্ৰ নদীৰ বিশালতা, সৌন্দৰ্য আৰু কামাখ্যা মন্দিৰ মাহাত্ম্যৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যখনত পৰ্যটনৰ বিকাশৰ প্ৰচুৰ সম্ভাৱনা আছে। অকল প্ৰকৃতি বা বন্যপ্ৰাণীক কেন্দ্ৰ কৰিয়ে নহয় ৰাজ্যখনৰ সমাজ জীৱন, ধৰ্ম-সংস্কৃতি, ক্ৰীড়া, চাহ-বাগিছা, জনগোষ্ঠীবোৰৰ জীৱন প্ৰণালী আদিক কেন্দ্ৰ কৰিও পৰ্যটকক আকৰ্ষণ কৰিব পৰা বহু সম্পদ অসমৰ আছে। প্ৰখ্যাত প্ৰকৃতিবিদ ৰিছাৰ্ড বেঙে অসমৰ ওপৰত এই তথ্যচিত্ৰখন নিৰ্মাণ কৰাৰ বাবে মুখ্য মন্ত্ৰীয়ে তেখেতৰ শলাগ লয় আৰু ইয়াৰ জৰিয়তে অসমে বিশ্বৰ পৰ্যটন মানচিত্ৰত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হ’ব বুলি মন্তব্য কৰে। মুখ্য মন্ত্ৰীয়ে কয় যে তথ্য চিত্ৰখনৰ জৰিয়তে অসমৰ চহকী তথা বৈচিত্ৰময় প্ৰাকৃতিক সম্পদ তথা সংস্কৃতি-সভ্যতাৰ বিষয়ে বিশ্বৰ জনসাধাৰণে অধিক ভাবে অৱগত হ’ব পাৰিব। এই প্ৰসংগত মুখ্য মন্ত্ৰীয়ে অসম চৰকাৰ পৰ্যটন উপদেষ্টা প্ৰয়াত অবিনাশ ক’হলীয়ে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে সভাত উল্লেখ কৰে। প্ৰয়াত ক’হলীৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰি সভাত এক মিনিট সময় মৌনতা অবলম্বন কৰা হয়। মুখ্য মন্ত্ৰীয়ে সভাত বিদেশী পৰ্যটন সংস্থা আৰু পৰ্যটক সকলক অসম ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত পৰিচালক ৰিছাৰ্ড বেঙ, নেচনেল জিঅগ্ৰাফিক ছ’চাইটীৰ উচ্চপদস্থ বিষয়া, বিভিন্ন পৰ্যটক সংস্থা, প্ৰৱাসী ভাৰতীয় ডঃ নৱ গোস্বামী, প্ৰভাত শৰ্মা প্ৰমুখ্যে বিশিষ্ট লোক সকল উপস্থিত আছিল।

## বাৰ’ অৱ মানহাটান কমিউনিটী ইউনিভাৰছিটিত মুখ্য মন্ত্ৰী

মুখ্য মন্ত্ৰীয়ে নিউয়ৰ্কৰ ব্ৰডৱে স্থিত ‘দি চিটি ইউনিভাৰছিটি অৱ নিউয়ৰ্ক’ৰ বাৰ’ অৱ মানহাটান কমিউনিটি কলেজত উপস্থিত হৈ শিক্ষা প্ৰতিষ্ঠানটোৰ ডীন সুনীল ডি গুপ্তাকে ধৰি অন্যান্য ফেকাল্টি মেম্বাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে। মুখ্য মন্ত্ৰী গগৈয়ে এই শিক্ষা প্ৰতিষ্ঠানটোত ডেৰ ঘণ্টা সময় কটায় আৰু প্ৰতিষ্ঠানটোৰ অন্তৰ্গত সকলো শাখাৰ শিক্ষা দান পদ্ধতি সম্পৰ্কত অৱগত হয়।

ৰঃসা
১৮-০৯-০৯